# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-06-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত।
২। চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীৰ বিদ্যালয়ত নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ উদ্দেশ্যে বিনামূলীয়া পৰিবহণ, সুৰক্ষা-বাহন আঁচনি মুকলি।
৩। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণৰ তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ পদত্যাগ পত্ৰ গ্ৰহণ।
৪। বিনামূলীয়া পাঠ্যপুথি সম্পৰ্কীয় ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ সদস্যসকলৰ সৈতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বৈঠক।

*আৰু*

৫। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ফাষ্টট্ৰেক আদালতত আজি তৃতীয় দিনাও সাক্ষ্য গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। তেওঁ ২০১৪ চনৰ ২৬ মে'ত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিছিল। শ্ৰীমোদীয়ে এই ক্ষেত্ৰত পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰে। পণ্ডিত নেহৰুৱে ১৯৫২ চনৰ ১৩ মে'ত নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰিছিল আৰু ১৯৬৪ চনৰ ২৭ মে'ত মৃত্যু পৰ্যন্ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। তেওঁ একেৰাহে ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰূপে ৪ হাজাৰ ৩৯৯ দিনত ভৰি দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰ্বাধিক সময়ৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ পালন কৰি ইতিহাস ৰচনা কৰাৰ বাবে ৰাজ্যৰ ৩ কোটি ৫০ লাখ জনসাধাৰণৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড° শৰ্মাই কয়, যে প্ৰধানমন্ত্ৰ মোদীৰ নেতৃত্বত অসমে কেৱল উন্নয়নৰ ক্ষেত্ৰত গতি লাভ কৰাই নহয় বৰং নতুন  সম্ভাৱনা, নতুন আত্মবিশ্বাস আৰু নতুন পৰিচয়েৰে দেশৰ বিকাশ যাত্ৰাৰ শক্তিশালী কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। বৰ্তমানৰ নতুন অসমৰ এই যাত্ৰাত শ্ৰীমোদীৰ দৃষ্টিভংগী সদায় প্ৰেৰণাৰ উৎস হৈ ৰব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

ৰাজ্যৰ চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে চৰকাৰে বিনামূলীয়া পৰিবহণ ব্যৱস্থা মুকলি কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এইকথা সদৰি ক'ৰে। তেওঁ কয়, যে যাতায়াতৰ অসুবিধাৰ বাবে শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় এৰাৰ সমস্যা ৰোধ কৰাৰ উদ্দেশ্যে 'পৰিবহণ-সুৰক্ষা বাহন সুবিধা' নামৰ এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে চাহ বাগিচা অঞ্চলত বাস কৰা প্ৰথমৰ পৰা দশম শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পৰিবহণ সুবিধা প্ৰদান কৰা হ'ব আৰু ইয়াৰ ফলত বিদ্যালয়ত শিক্ষাৰ্থীসকলৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰাত সহায়ক হ'ব। ৰাজ্যৰ ১১ খন জিলাত অহা বছৰৰ ৩১ মাৰ্চলৈ ৰূপায়িত হ'বলগীয়া

এই আঁচনিৰ জৰিয়তে ১৯৮ খন বিদ্যালয়ৰ ৯ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। আঁচনিৰ অধীনত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবৰ্ষটোত ৫ হাজাৰ ৪০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব আৰু বিদ্যালয় পৰিচালনা সমিতিৰ জৰিয়তে স্থানীয় পৰ্যায়ত পৰিবহণৰ ব্যৱস্থা কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আঁচনিখন সন্দৰ্ভত মত প্ৰকাশ কৰি কয়, যে ইয়াৰ ফলত হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ বিদ্যালয়মুখী যাত্ৰা অধিক সুৰক্ষিত আৰু সহজ হৈ উঠিব। তেওঁ কয় যে ৰাজ্যত ইতিমধ্যে ৰূপায়ণ হৈ থকা পদক্ষেপসমূহৰ লগতে এই ব্যৱস্থাই চাহ বাগিচা অঞ্চলৰ সন্তানসকলৰ শিক্ষা জীৱন অধিক সুদৃঢ় কৰিব। ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বাবে শিক্ষাৰ সমান সুযোগ নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে। ৰাজ্যসভাৰ সদস্যপদ ত্যাগৰ পাছতে তেওঁ আজি নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা সন্তোষ মোহন দেৱৰ কন্যা সুস্মিতা দেৱে ২০২১ চনত কংগ্ৰেছ দল ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। শিলচৰ লোকসভা সমষ্টিৰ পৰা তেওঁ সাংসদ হিচাপেও নিৰ্বাচিত হৈছিল। দলত্যাগৰ পাছত সাংবাদিকৰ আগত শ্ৰীমতী দেৱে এইদৰে কয় –

***বাইট***

০০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত আয়ুক্তৰ কাৰ্যালয়ত আজি নৱনিযুক্ত অভিভাৱক মন্ত্ৰী তথা ৰাজ্যৰ কেবিনেট মন্ত্ৰী অজন্তা নেওগৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে নিযুক্তি পোৱাৰ পাছত প্ৰথমবাৰৰ বাবে জিলাখনৰ সদৰ আমিনগাঁওৰ আয়ুক্ত কাৰ্যালয়ত মন্ত্ৰীগৰাকী উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ প্ৰতিটো বিভাগৰ মুৰব্বীসকলৰ লগত পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ লগতে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত ঐতিহাসিক জিলাখনত ৰূপায়ণ হৈ থকা চৰকাৰী কল্যাণমূলক আঁচনিসমূহ খৰতকীয়া আৰু সম উন্নয়ন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

***-বাইট-***

জিলাখনৰ সকলো উন্নয়নমূলক আঁচনি তথা জিলাখনৰ সকলো কাম-কাজ সুন্দৰভাৱে পৰিচালনা কৰিবলৈ সকলো বিষয়া-কৰ্মচাৰীক নিৰ্দেশ দিয়ে। পৰ্যালোচনা সভাত বিধায়ক দিগন্ত কলিতা আৰু প্ৰকাশ দাসো উপস্থিত থাকে।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনত বিনামূলীয়া পাঠ্যপুথি সম্পৰ্কীয় ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ সদস্যসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ২০২৭-২৮ শিক্ষাবৰ্ষ আৰু ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথিৰ কাগজ ক্ৰয়, মুদ্ৰণ, পৰিবহণ আৰু বিতৰণ সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি বিভিন্ন কাৰ্যসূচীৰ সময়সীমা, শিক্ষাসেঁতু, দৰ্পণ প'ৰ্টেল আদিৰ জৰিয়তে নামভৰ্তিৰ তথ্য, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় বিত্তীয় সাহায্য, নতুনকৈ প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহৰ মুদ্ৰণ ব্যয় তথা পাঠ্যপুথি সহজে লাভ কৰাটো নিশ্চিত কৰাৰ বাবে ই-বুকৰ ব্যৱস্থাকে ধৰি অন্যান্য ডিজিটেল পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়। ডাঃ পেগুৱে বিষয়াসকলক সকলো কাৰ্যসূচী নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰূপায়ণ কৰাটো নিশ্চিত কৰিবলৈ আৰু তথ্যভিত্তিক পৰিকল্পনাত স্বচ্ছতা বজাই ৰাখিবলৈ আহ্বান জনায়।

০০০০০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰত আজি অভিভাৱক মন্ত্ৰী চৰণ বড়োৱে জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বাক্সা জিলাৰ বিধায়কদ্বয় মনেশ্বৰ ব্ৰহ্ম আৰু থানেশ্বৰ বসুমতাৰী, বিটিচি চৰকাৰৰ কাৰ্যবাহী সদস্য আগাষ্টুচ টিগ্গা, বেগম আখতাৰা আহমেদ, জিলা আয়ুক্ত কিমনে ছেংচান, অতিৰিক্ত আয়ুক্তকে ধৰি ৰাজনৈতিক নেতা আৰু জিলাখনৰ গুৰুত্বপূৰ্ণ চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। জিলাখনত সঘনাই অব্যাহত থকা হাতী-মানুহৰ সংঘাত বানপানী আৰু গৰা খহনীয়াৰ সমস্যা, খোৱাপানী আৰু জলসিঞ্চনৰ সমস্যাৰ বিষয়ে বৈঠকত আলোচনা কৰে। ইফালে, বি টি এ ডিৰ ওদালগুৰিৰ পৰা বাক্সা চিৰাঙৰ মাজেৰে কোকৰাঝাৰলৈ এটা ৰে'লপথ নিৰ্মাণৰ কাৰণে ৰাইজৰ দাবীৰ কথা বিভাগীয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰাৰ কথাও মন্ত্ৰীগৰাকীয়ে ব্যক্ত কৰে।

*বাইট - চৰণ বড়ো*

ইফালে মন্ত্ৰীগৰাকীয়ে অভিভাৱকৰ দায়িত্ব পোৱা চিৰাং জিলাও আজি ভ্ৰমণ কৰে। জিলাখনৰ কাজলগাঁৱত বিয়লিৰ ভাগত উপস্থিত হৈ তেওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি তৃতীয় দিনাও সাক্ষীৰ সাক্ষ্য গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত থাকে। আদালতত আজি বেবী বৰা, অনুজ কুমাৰ বিষয়া আৰু প্ৰভাকৰ ফুকনে সাক্ষ্য প্ৰদান কৰে। সময়ৰ অভাৱৰ বাবে আন দুগৰাকী সাক্ষী বিৰিঞ্চি বৰা আৰু ৰাজা অসমে আদালতত আজি সাক্ষ্য প্ৰদান কৰিব নোৱাৰিলে বুলি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনাইছে।

০০০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডক অধিক উন্নত, প্ৰযুক্তি নিৰ্ভৰ আৰু বিশ্বমানৰ কৰি গঢ়ি তোলাৰ লক্ষ্যৰে চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ উদ্যোগত আজি গুৱাহাটীত অসম CSR ROUND TABLE 2.0 শীৰ্ষক এটা অনুষ্ঠান অনুষ্ঠিত হয়। স্বাস্থ্য, পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে আনুষ্ঠানিকভাৱে এই অনুষ্ঠান উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলত কৰ্কট ৰোগৰ হাৰ উদ্বেগজনকভাৱে বৃদ্ধি হোৱাৰ কথা উল্লেখ কৰি কয়, যে টাটা গোটৰ সহায়ত গঠন কৰা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ জৰিয়তে ৰাজ্যজুৰি কৰ্কট চিকিৎসাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ ফলত ৰোগীসকলে ৰাজ্যৰ ভিতৰতে উন্নত চিকিৎসা সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি শ্ৰী সিংহলে উল্লেখ কৰে। বিদ্যালয়সমূহত গঠন কৰা স্বাস্থ্য ক্লাবসমূহৰ ভূমিকাত আলোকপাত কৰি তেওঁ কয়, যে সুস্থ সমাজ গঢ়াৰ বাবে বিদ্যালয় পৰ্যায়ৰ পৰাই স্বাস্থ্য সচেতনতা সৃষ্টি কৰিব লাগিব। শ্ৰী সিংহলে উল্লেখ কৰে যে স্বাস্থ্যখণ্ডৰ চৰকাৰৰ বৃহৎ বিনিয়োগ অব্যাহত আছে যদিও কোনো কোনো ক্ষেত্ৰত দ্ৰুত বিকাশৰ বাবে কৰ্প'ৰেট সামাজিক দায়বদ্ধতাৰ অংশীদাৰিত্বও অতি গুৰুত্বপূৰ্ণ। ইয়াৰ বাবে তেওঁ প্ৰযুক্তি প্ৰতিষ্ঠান, চিকিৎসা সঁজুলি নিৰ্মাতা সংস্থা, বিনিয়োগকাৰী শিক্ষানুষ্ঠান আৰু ষ্টাৰ্টআপসমূহক ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ ৰূপান্তৰমূলক যাত্ৰাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা, মীন বিভাগৰ মন্ত্ৰী নিলীমা দেৱীয়ে আজি মঙলদৈত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মঙলদৈ থানা গাঁওৰক্ষী সংগঠনৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত তেওঁ গাওঁৰক্ষী বাহিনীৰ পৰিয়ালৰ ১৮ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা দুটা বাঘে কলিয়াবৰৰ কামাখ্যা পাহাৰৰ নামনিৰ চাহ বাগিচাত আতংকৰ সৃষ্টি কৰিছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে বাঘে আজি দিন-দুপৰতে এটা গৰু আক্ৰমণ কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই বাঘে গৰু নিধন কৰা ঠাই পৰিদৰ্শন কৰি জনসাধাৰণক আতংকিত

নহ’বলৈ আহ্বান জনায়। জিলা প্ৰশাসনে বাঘে যাতে গাঁওবাসীৰ কোনো ক্ষতি কৰিব নোৱাৰে, তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। ইপিনে, চাহ বাগিচাৰ কৰ্মচাৰীসকলে যাতে নিশ্চিন্তভাৱে কাম কৰিব পাৰে, তাৰপ্ৰতি লক্ষ্য ৰাখি বন সুৰক্ষাকৰ্মীসকলেও কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে।

০০০০০০০

চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত বজাৰৰ সামূহিক গৃহত আজি উন্নয়ন মেলা অনুষ্ঠিত হয়। হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সহযোগত আয়োজিত এই মেলাত জিলাখনৰ ৮টা পঞ্জীয়নভুক্ত সমিতিয়ে প্ৰস্তুত কৰা বস্ত্ৰ সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়। হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ সহকাৰী সঞ্চালক খাগুেলকাৰ নুৰুল ইছলামে এই মেলা মুকলি কৰি শিপিনীসকলক উৎপাদিত সামগ্ৰীৰ জৰিয়তে স্বাৱলম্বী হ’বলৈ আহ্বান জনায়।

০০০০০০০

গোলাঘাট জিলাৰ বোকাখাট নাট্য মন্দিৰত আজি দিনজোৰা কাৰ্যসূচীৰে সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি পুৱা সন্থাৰ কেন্দ্ৰীয় সভাপতি অভিজিত নাথে পতাকা উত্তোলন কৰে। এই কাৰ্যসূচীত ৰাজ্যৰ কেইবাটাও ছাত্ৰ সংগঠনে অংশগ্ৰহণ কৰে।

০০০০০০০

হাটশিঙিমাৰীৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ এখন বৈঠকত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, মানকাচৰৰ বিধায়ক মহিবুৰ ৰহমান আৰু জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাকে ধৰি প্ৰায় ২৫ টা বিভাগৰ মুৰব্বী আৰু বিষয়াসকল উপস্থিত থাকে। বৈঠকত জিলাখনত সম্প্ৰতি ৰূপায়ণ হৈ থকা বিভিন্ন কল্যাণমূলক আঁচনিৰ অগ্ৰগতি তথা জনসাধাৰণৰ সুবিধাৰ সৈতে জড়িত বিষয়সমূহ পৰ্যালোচনা কৰা হয়। সাংসদ ৰকিবুল হুছেইনে এই আঁচনিসমূহ সুচাৰুৰূপে ৰূপায়ণ কৰাটো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে।

০০০০০০০

বোকাখাতত আজি বজ্ৰ পৰি এজন লোকৰ মৃত্যু হয়। মৃত লোকজন ৰজাবাৰী ভকতচাপৰিৰ নোমল পেগু বুলি চিনাক্ত কৰা হৈছে। লখৌজানৰ ঘগৰা পিতনি পথাৰত কাম কৰি থকা অৱস্থাত বজ্ৰ পৰি লোকজনৰ মৃত্যু হয়।

০০০০০০০

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজসেৱক দীনেশ চন্দ্ৰ বৈৰাগীৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৭ বছৰ। তেখেতৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**